নং ঃ ৩৮৯/২০২০

# গোৱালপাৰা জিলাৰ বানপীড়িত এলেকা ভ্ৰমণ কৰি পৰিস্থিতিৰ বুজ ল'লে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

## ৰাজ্য চৰকাৰে নতুন 'ৰিলিফ মেনুৱেল' অনুসৰি ৰাজ্যখনৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ মোকাবিলা কৰিব ঃ মুখ্যমন্ত্ৰী

## আগিয়া-লক্ষীপুৰ সংযোগী ১২নং ৰাজ্যিক ঘাই পথৰ ক্ষতিগ্ৰস্ত অংশ শীঘ্ৰে মেৰামতি কৰিবলৈ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৯ মে'ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ৰাজ্য চৰকাৰে নতুন 'ৰিলিফ মেনুৱেল' অনুসৰি ৰাজ্যখনৰ সাম্প্ৰতিক বান পৰিস্থিতিৰ মোকাবিলা কৰিব। এই পদক্ষেপে ক'ভিড-১৯ৰ বিৰুদ্ধে যুঁজৰ সমান্তৰালভাৱে বান-খহনীয়াত ক্ষতিগ্ৰস্ত লোকসকললৈ সাহায্য প্ৰদানৰ দিশত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলীক এক নতুন মাত্ৰা প্ৰদান কৰিব। বছৰৰ প্ৰথমটো বানত ক্ষতিগ্ৰস্ত গোৱালপাৰা জিলা ভ্ৰমণ কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ৰাজ্যখনৰ ১১ খনকৈ জিলা প্ৰভাৱিত হোৱা সাম্প্ৰতিক বানত গোৱালপাৰা জিলাৰ তিনিটাকৈ ৰাজহ চক্ৰৰ প্ৰায় ২ লাখ লোক বিশেষভাৱে ক্ষতিগ্ৰস্ত হৈছে।

আজি গোৱালাপাৰা জিলা ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰী সোণোৱালে আগিয়া বালিজানা ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় আৰু দ্বাৰকা প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা অস্থায়ী আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি তাত আশ্ৰয় গ্ৰহণ কৰা শিশুসকলৰ লগতে অন্যান্য আৱাসীসকলৰ সৈতে মত-বিনিময় কৰে। শিবিৰ দুটাত আশ্ৰয় গ্ৰহণ কৰা লোকসকললৈ পৰ্যাপ্ত আৰু উন্নত মানৰ খাদ্য, খোৱাপানী, চিকিৎসা আদি সা-সুবিধা আগবঢ়াবলৈ তেওঁ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। তেওঁ কয় যে চিকিৎসকসকলে আশ্ৰয় শিৱিৰসমূহ নিয়মীয়াকৈ ভ্ৰমণ কৰি আৱাসীসকলৰ স্বাস্থ্যৰ বুজ ল'ব লাগিব। তেওঁ লগতে কয় যে যিহেতু সামাজিক দূৰত্ব বৰ্তাই ৰখা কাৰ্য ক'ভিড-১৯ মহামাৰী প্ৰতিহত কৰাৰ এক অমোঘ অস্ত্ৰৰূপে চিহ্নিত হৈছে, সেয়েহে আশ্ৰয় শিবিৰসমূহতো কঠোৰ ৰূপত সামাজিক দূৰত্ব বাহাল ৰখাটো জিলা প্ৰশাসনে সুনিশ্চিত কৰিব লাগিব। অৱশ্যে আশ্ৰয় শিবিৰ দুটাত উপলব্ধ সা-সুবিধাসমূহৰ বাবে মুখ্যমন্ত্ৰীয়ে আজি সন্তুষ্টি প্ৰকাশ কৰে।

মুখ্যমন্ত্ৰীয়ে স্থানীয় সংহত শিশু উন্নয়ন প্ৰকল্পৰ কাৰ্যালয়ো ভ্ৰমণ কৰে আৰু আশ্ৰয় শিৱিৰসমূহত থকা শিশুসকলৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বুজ লয়। তেওঁ আশাকৰ্মীসকলৰ সৈতেও মত-বিনিময় কৰে আৰু বান-খহনীয়াৰ লগতে ক'ভিড-১৯ মহামাৰীৰ লেখীয়া দুৰ্যোগৰ সময়ত আশা কৰ্মীসকলে ৰাজ্যখনলৈ আগবঢ়োৱা নিস্বাৰ্থ সেৱাৰ বাবে তেওঁলোকৰ শলাগ লয়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বানে সম্পূৰ্ণৰূপে উটুৱাই নিয়া আগিয়া-লক্ষীপুৰ সংযোগী ১২নং ৰাজ্যিক ঘাইপথৰ ক্ষতিগ্ৰস্ত অংশটোও পৰিদৰ্শন কৰে। পথছোৱাৰ ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ লগতে দুয়োপাৰৰ জনসাধাৰণৰ যাতায়াত ব্যৱস্থা পুনৰ আৰম্ভ কৰিব পৰাকৈ যুদ্ধকালীন তৎপৰতাৰে এই অংশটো আৰু দলঙৰ মেৰামতিৰ কাম হাতত ল'বলৈ তেওঁ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। এই প্ৰক্ৰিয়া প্ৰত্যক্ষভাৱে তদাৰক কৰিবলৈ আৰু তাৰ প্ৰতিবেদন যথাসম্ভৱ শীঘ্ৰে দাখিল কৰিবলৈ মুখ্যমন্ত্ৰীয়ে উপায়ুক্তগৰাকীক নিৰ্দেশ দিয়ে।

জিলাখন ভ্ৰমণৰ সময়ত মুখ্যমন্ত্ৰীয়ে আজি দুধনৈস্থিত আয়ুৰ্বেদিক চিকিৎসালয়ত স্থাপন কৰা কোৱাৰেণ্টীন চেণ্টাৰো পৰিদৰ্শন কৰে।

মুখ্যমন্ত্ৰীয়ে আজি চলিত বছৰৰ বানপানীত জিলাখনত মৃত্যু হোৱা চাৰিগৰাকী ব্যক্তিৰ প্ৰতিগৰাকীৰ নিকট আত্মীয়লৈ ৪ লাখ টকাৰ চে'ক আগবঢ়ায়।

জিলাখনৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে হোৱা এক বৈঠকত মুখ্যমন্ত্ৰীয়ে উপায়ুক্ত আৰু অন্যান্য বিষয়াসকলক জিলাখনে ক'ভিড-১৯ আৰু বানপানী মোকাবিলা কৰাৰ ক্ষেত্ৰত সকলোৰে বাবে এক আৰ্হি হিচাপে চিহ্নিত হোৱাকৈ কাম কৰিবলৈ আহ্বান জনায়। বানপানীৰ সময়ত বিদ্যুৎস্পৃষ্টৰ দৰে কোনো ঘটনা যাতে সংঘটিত হ'ব নোৱাৰে, তাৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে শক্তি বিভাগক নিৰ্দেশ দিয়ে। চৰকাৰী সেৱাসমূহ যাতে সকলো শ্ৰেণীৰ জনসাধাৰণে সঠিকভাৱে লাভ কৰিব পাৰে,সেই দিশত নিশ্চিত পদক্ষেপ গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে বিষয়াসকলক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীৰ এই ভ্ৰমণৰ সময়ত জিলাখনৰ দায়িত্বত থকা মন্ত্ৰী তথা খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ফণীভূষণ চৌধুৰী, বিধায়কসকল ক্ৰমে দীপক ৰাভা, এ কে ৰচিদ আলম, ৰচিদ মণ্ডল চাহাবুদ্দিন আহমেদ, ঋতুপৰ্ণ বৰুৱা, ৰাভা-হাচং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, উপায়ুক্ত বৰ্ণালী ডেকা, আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মা প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে কভিড-১৯ৰ লগতে ৰাজ্যখনে বানপানীৰ বিৰুদ্ধেও যুঁজ দিবলগীয়া হৈছে। বৰ্তমানৰ পৰিস্থিতিৰ পৰা জনসাধাৰণক সকাহ দিবলৈ সকলোৱে 'টীম' হিচাপে কাম কৰাৰ ওপৰত মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ৰ'না ভাইৰাছ সংক্ৰমণ ৰোধ কৰিব লাগিলে আমি সকলোৱে সামাজিক দূৰত্ব বজাই ৰাখিব লাগিব আৰু তেতিয়াহে মানুহৰ জীৱন সুৰক্ষিত হৈ থাকিব। মুখ্যমন্ত্ৰীয়ে সামাজিক দূৰত্ব বজাই ৰখাৰ বাবে জনসচেতনতা সৃষ্টিৰ ক্ষেত্ৰত সাংবাদিকসকলক বিশেষ ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

**সুঃদঃ /বীঃগঃ /প্ৰঃকুঃবঃ / পুঃডেঃ**
**২৯/৫/২০২০**